# কিশলয়



প্ৰস্তাৱনা - সংখ্যা

০৫ ছেপ্তেম্বৰ "২০১৬


সম্পাদক: শংকৰ প্ৰসাদ বৰুৱা

সহ: সম্পাদক: ৰাজ কুমাৰ চুতীয়া

তত্ত্বাৱধায়ক

অনুৰূপা চুতীয়া

# কিশলয়

প্ৰস্তাৱনা - সংখ্যা

০৫ ছেপ্তেম্বৰ' ২০১৬

সম্পাদনা সমিতি

॥

ড° বিভাদত্ত নেওগ, মুৰব্বী তথা উপদেষ্টা

শ্ৰীযুক্তা উৎপলা দেৱী, উপদেষ্টা

শ্ৰীযুত বুদ্ধেশ্বৰ কোঁচ, উপদেষ্টা

শ্ৰীমতী অনুৰূপা চুতীয়া, তত্বাৱধায়ক

শ্ৰীমতী মাইনী চনুৱা, উপদেষ্টা

<u>সম্পাদক</u> ঃ শ্ৰীশংকৰ প্ৰসাদ বৰুৱা

সহঃ সম্পাদক তথা বেটুপাত শিল্পী } ৰাজ কুমাৰ চুতীয়া

<u>সদস্য সদস্যা</u> ঃ ২য়, ৩য় আৰু ৫ম ষাণ্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰী (অসমীয়া বিভাগ, ধেমাজি মহাবিদ্যালয়)

<u>প্ৰস্তুত কৰ্তা</u> ঃ

অসমীয়া বিভাগ

ধেমাজি মহাবিদ্যালয়, ধেমাজি

# বিভাগীয় প্ৰধানৰ একাষাৰ

মন, হৃদয় আৰু বুদ্ধি ব্যক্তিৰ নিজস্ব সম্পদ। কিন্তু এই সম্পদক সমুজ্জ্বল কৰিবলৈ প্ৰয়োজন হয় একোটি সন্ধানী মন, সদ্বোধ আৰু বুদ্ধিমত্তাৰ। প্ৰত্যেক ব্যক্তিৰ সত্তাত প্ৰতিভাৰ বীজ নিহিত হৈ থাকে। সময়, সুযোগ, সুবিধা বা পৰিৱেশ অনুযায়ী সি ভিন্ন গঢ় বা ৰূপত প্ৰকাশিত হয়। প্ৰতিভা আৰু দক্ষতাৰ মাজত পাৰ্থক্য আছে। অধ্যয়ন, অধ্যৱসায় তথা অনুশীলনে প্ৰতিভাক দক্ষতালৈ ৰূপান্তৰ ঘটাব পাৰে। আবেগ-মননৰ কৰ্ষণে এই ক্ষেত্ৰত প্ৰচুৰ অৰিহনা যোগায়। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ প্ৰকাশ আৰু বিকাশৰ বাবে প্ৰয়োজন হয় অভিভাৱক আৰু শিক্ষকৰ প্ৰেৰণা তথা পথ-নিৰ্দেশনা।

আমি বিভাগীয় মুৰব্বীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতেই বিভাগৰ কৰণীয় কাম-কাজৰ কিছুমান পৰিকল্পনা কৰিছিলোঁ; য'ত অন্তৰ্ভুক্ত হৈছিল এখন হাতে লিখা আলোচনী প্ৰস্তুত কৰাৰ সিদ্ধান্ত। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা শ্ৰীমতী অনুৰূপা চুতীয়াক প্ৰস্তাৱনা-সাম্যাৰ তত্ত্বাৱধানৰ দায়িত্ব প্ৰদান কৰি আমাৰ পৰিকল্পনাক বাস্তৱত ৰূপ দিবলৈ অনুৰোধ কৰিছিলোঁ। শ্ৰীমতী অনুৰূপাৰ তত্ত্বাৱধানত সম্পাদক শ্ৰীমান শংকৰ প্ৰসাদ বৰুৱাই সুন্দৰ হস্তাক্ষৰেৰে আলোচনীখন শিক্ষক দিৱসত (০৫ চেপ্তেম্বৰ, ২০২০) উন্মোচন কৰিব পৰাকৈ যুগুতাই উলিয়ালে। এই

দুয়োকে, তথা বিভাগৰ সমূহ শিক্ষক-ছাত্ৰক 'কিশলয়'ৰ জন্মক্ষণৰ অংশীদাৰ হোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ বীজ পল্লৱিত হৈ একোজোপা পূৰ্ণাংগ বৃক্ষত পৰিণত কৰাৰ শুভকামনাৰে জন্ম হোৱা 'কিশলয়' সৃষ্টিৰ পথাৰ জীপাল কৰিবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

০৩/০৯/২০১৬

(ড° বিভাদত্ত নেওগ)
বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
ধেমাজি মহাবিদ্যালয়

# সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| ★ বিভাগীয় প্ৰধানৰ একাষাৰ ড° বিভা হস্ত নেওগ | |
| ★ জীৱনৰ পথত (কুসুম্বৰ দাফলাৰী) | ১ |
| ★ অৰ্ঘ্য (নিবেদিতা গোঁহাই) | ২ |
| ★ সপোনৰ এনিশা (দীপশিখা দাস) | ৩ |
| ★ কুঁৱলী (হৰি প্ৰভা চাংমাই) | ৪ |
| ★ নবৰ্গ (দীপশিখা বড়া) | ৫ |
| ★ একুৰিয়ামৰ মাছ (বিনিস্মীতা বড়া) | ৬ |
| ★ প্ৰত্যাশাৰ ৰঙীন ৰুমাল (চেনামনি সোনোৱাল) | ৭ |
| ★ চিমেষ্টাৰ পদ্ধতি (বাসুদেৱ দৰ্জী) | ৮ |
| ★ তিনিটা স্তবক (পল্লৱী বৰুৱা) | ৯ |
| ★ লাইপুলীয়া (সীমাদীপা হৰালী) | ১০ |
| ★ অনুভৱ (চামিলা নৰহ) | ১১ |
| ★ ৰং (পাহাৰী শইকীয়া) | ১২ |
| ★ বাগোন (যদুমনি বৰুৱা) | ১৩ |
| ★ বেদনা (ৰাজকুমাৰ চুতীয়া) | ১৪ |
| ★ নাহৰ (হেমন্ত কোচ) | ১৫ |
| ★ অনুভৱ (টিটুমনি গোঁহাই) | ১৬ |
| ★ মই পোহৰ বিলাব খোজো (পৰিস্মৃতা বৰুৱা) | ১৭ |
| ★ শৈশৱ (সন্ধ্যা সোনোৱাল) | ১৮ |

★ বহাগ (জোৎস্না গগৈ) ১৯
★ নষ্টালজিয়া (ডিম্পল শইকীয়া) ২০
★ স্মৃতিৰ সৌধ (ত্ৰিবেণী সোনোৱাল) ২১
★ সপোন (প্ৰিয়ম গোস্বামী) ২২
★ মৰীচিকা (মৌচুমী চুতীয়া) ২৩
★ তুমি (বন্দনা দাস) ২৪
★ আকাশ (লাখিমী গগৈ) ২৫
★ বাস্তৱ (শংকৰ প্ৰসাদ বৰুৱা) ২৬
★ লিমাৰিক (শুভ চুতীয়া) ২৭
★ আশা (লিপিকা বৰুৱা) ২৮
★ সংগ্ৰাম (মধুৰপাংমী বুঢ়াগোহাঁই) ২৯
★ পৰীক্ষা (হৰি প্ৰসাদ নেপাল) ৩০
★ প্ৰেমৰ কবিতা (পূজা চাহিদ) ৩১
★ তোমাৰ স্মৃতি (পল্লৱী বৰগোহাঁই) ৩২
★ অঙ্গাৰিকা (ৰুবী শইকীয়া) ৩৩
★ শুকুলা মেঘৰ ছাঁ (প্ৰমোদ পেগু) ৩৪
★ শহীদ (হৰি প্ৰভা সোনোৱাল) ৩৫
★ প্ৰেম (ৰাহুল পায়েং) ৩৭
★ সমাধি (পল্লৱী দেৱী) ৩৮

# জীৱনৰ পথত

আমি এক জাগ্ৰত সৈনিক
আগবাঢ়িছোঁ প্ৰগতিৰ
শীৰ্ষ স্থানলৈ,
ভগ্নকৰো কোনো বাধাৰ প্ৰাচীৰ ।
আগুৱাই যাম
নতুনৰ দিশে
যত লগ পাম
জীৱন লক্ষ্যৰ প্ৰকৃত পথ ।

সূৰ্যৰ কিৰণেৰে
আমি দেখা পাওঁ
ৰঙীন প্ৰহেলিকা,
সেই প্ৰহেলিকা ফালি
আমি যাওঁ আগবাঢ়ি,
নৱ সূৰ্যৰ ৰঙীন আভাই
আমাক নতুনৰ বাট দেখুৱাই,
আমি গাম সকলোৰে
প্ৰগতিৰ এক বিজয় সংগীত ।
আগবাঢ়ি যাম
জীৱনৰ প্ৰগতিৰ পথত ।

কুসুম্বৰ দাফলাৰী (স্নাতক ৩য় ষান্মাসিক)

# অৰ্ঘ্য

আনিছোঁ বুটলি আজি
মনৰ মন্দিৰৰ পৰা
অৰ্থহীন শ্ৰদ্ধাজ্যোতিৰ একাঁজলি পানী ।
থবলৈ নাই মোৰ সুৰক্ষিত স্থান ।
তাৰ বাবে কান্দি উঠে প্ৰাণ ।
জ্ঞানৰ বন্তি কেৱল
কল্পনাৰ চাকি গঢ়ি
সযতনে হৃদয়ত জ্বলাই ৰাখো
কোনোৱে থাকে ওৰণিৰ তলত
কোনোৱে ৰাখে হৃদয়ত ।
দিন মাহ বছৰবোৰ এইদৰেই যায় ।
সেয়েহে মানুহৰ উন্নতি হেৰায়,
পাণ্ডিত্যক দিনহীন কাঁইটীয়া পতিপথ
সাহসেৰে আগবাঢ়োঁ
লেখিকাৰ পাতত ।

নিবেদিতা গোঁহাই
(স্নাতক ৩য় ষাণ্মাসিক)

## সপোনৰ
## অনিশা

সপোনৰ নিশাত
মনত জাগে অলেখ কথা ।
বাৰিষা বৃষ্টিৰ বন্যাৰ পৰশে
বতাহ ডাকৰ আগমনে,
মনত ভাঁটি ধৰে শইচেৰে ভৰা
সেউজীয়া ধাননি দৰাৰ কথা ।

হালি-জালি নাচি থকা পথাৰ মনৰ ছবি ।
সপোনৰ আঁহ ফালি পখীটিয়ে কৈ যায় –
হেপাহৰ পথাৰত এই দিন নাহে দুলাই ।
স্বপ্ন কাৰেঙত আশাৰ দুপাম যেন উৰিব ধৰিছে...
প্ৰতিয়া সময় সেইবোৰ সোণোৱালী হোৱাৰ....
কিন্তু নিয়তিৰ কু-চক্ৰ
উটুৱাই লৈ গ'ল সকলোবোৰ
নিঃশেষ কৰি নিলে সোণালী জীৱনৰ
সপোনৰ অস্তিত্ব,
জীৱনৰ বাটৰ উজুতিত মনত পৰে প্ৰতিয়াও
সেই সপোনৰ অনিশা ।

দীপাশিমা দাস

# কুঁৱলী

আঘোনৰ ঘন কুঁৱলীক নেওচি
আহিছিলা তুমি
মোৰ বেদনাৰে ভৰা জীৱনলৈ ।
মোৰ জীৱনলৈ নামি
আহিছিল পোহৰ ।

জীৱন খুঁজৰ এই পথত
তুমি থিয় দিলা
মোৰ সহযোগী হৈ ।

কিন্তু তুমি হেৰাই গলা
আঘোনৰ ডাঠ কুঁৱলীৰ মাজত ।
স্মৃতি সনা সেই গভীৰ দিনবোৰে
মোক কৰিছে উন্মাদ ,
তুমি উভতি অহাৰ স্বপ্নত বুৰ গৈ
কৰিছোঁ অপেক্ষা ।
আহিবানে ঘূৰি তুমি
সেই ঘন কুঁৱলীৰ মাজৰ পৰা
মোৰ স্বপ্নক -
জীপাল কৰিবলৈ ?

হৰিপ্ৰভা চাংমাই (স্নাতক তৃতীয়
ষাণ্মাষিক)

# একুৰিয়ামৰ মাছ

সোঁত আৰু ঢৌৰ স্পৰ্শ বিচাৰি
এমন ক্ষুদ্ৰ সাগৰ তলিত স্ফূৰিব হে পাৰে
এজাক সোনালী- ৰূপালী মাছ।
বিচিত্ৰ বৰ্ণালীৰে অভিজাত দেহত
নিপুণ চিত্ৰকৰৰ তুলিকাৰে
স্বপ্ন বিলাসী সাজ।
শৰীৰৰ সৌন্দৰ্যই সিহঁতৰ শত্ৰু
যেয়ে অসীমৰ পৰা অপহৃত হৈ
সাৱটি লৈছোঁহি বন্দী জলৰাশিৰ
প্ৰাণহীন আলিংগন।
মাটিৰ সৈতে সম্পৰ্ক ছিন্ন হোৱা
এটুকুৰা স্বচ্ছ সাগৰত
বিশালতাৰ প্ৰাচীন গোন্ধ বিচাৰি
বলিয়া হৈ দৌৰে,
নামী- অনামী ৰঙা নীলা মাছ।
বিদ্যুতৰ বুৰবুৰনিত চকু মাৰি
সিহঁতে নাচে পাকঘূৰণি নাচ।
জীৱন মৰণৰ প্ৰভেদ পাহৰা
এইজাক চিকুণ চঞ্চল মাছ।

বৰ্নিস্মীতা বড়ো
(৩য় ষাণ্মাসিক)

# নৱবৰ্ষ

অতীতক পাহৰি যোৱা
পাহৰি যোৱা - - - -
অতীতৰ সময়বোৰ
নতুন দিনৰ মূল্যবান সময়ক
হাতৰ মুঠিত ৰাখি
সৎ ব্যৱহাৰ কৰি যোৱা ।
আগবাঢ়ি যোৱা সাহস আৰু
প্ৰেৰণাৰে - - - -
আগবাঢ়ি যোৱা
নৱবৰ্ষৰ আগমনৰ আশাৰে ।

দীপাশিমা বড়া
(১ম ষাণ্মাষিক)

# প্ৰত্যাশাৰ ৰঙীন ৰুমাল

নাহৰ বকুলৰ কলি
এজাক বৰষুণ হৈ আহে
মুখত আধা ফুটা মাত লৈ ।

এদেও চুদেও কৈশোৰ-যৌৱন
গুঞ্জৰিত হাঁহি আৰু গান
সমান তালত যোগ বিয়োগ
বীজ গণিতৰ সমাধান ।
চেক্সপিয়েৰ ময়ূৰ সিংহাসন ছাহ-জাহান
শংকৰদেৱ আৰু আজান ।
দেৱকুলৰ এক সন্মিলিত প্ৰচেষ্টাৰে
দুৰ্গা সৃষ্টিৰ উপমাৰে
গুৰুকুলেও সজাই তোলে
একো একোটা ৰণুৱা ঘোঁৰা ।
সূৰ্য নহ'লেও দিকভ্ৰান্ত নাবিকক দিশ দিয়া
নিশাৰ বুকুত ইংগিতৰ দৰে
অন্তত এটি ধ্ৰুৱ তৰা ।
মোৰ সোণহঁত
তোমালোকৰ হাতত তুলি দিলোঁ
এবুকু উমাল পালতৰা নাওঁ
আৰু আমাৰ বহু প্ৰত্যাশাৰ
একোখন ৰঙীন ৰুমাল ।

চোনামণি সোণোৱাল (৩য় ষাণ্মাসিক)

# ছিমেষ্টাৰ পদ্ধতি

কিতাপবোৰ যদি উপন্যাস হোৱাহ'লে
একে ৰাতিয়ে পঢ়ি শেষ কৰিলোহেঁতেন
নাই ভাগৰ নাই টোপনি,
এফালৰ পৰা পঢ়িগলোহেঁতেন ।

কিতাপবোৰ যদি গল্প হোৱাহ'লে
একেদিনে পঢ়িলো হেঁতেন,
কত লগৰীয়াক মাতি আনি
পঢ়ি শুনালোহেঁতেন ।

কিতাপবোৰ যদি নাটক হোৱাহ'লে
অভিনয় কৰি পঢ়িলো হেঁতেন
নাই ভাগৰ, নাই আমনি
সকলো সমন্তুতে আনন্দ কৰিলোঁহেঁতেন ।

এই চেমেষ্টাৰ চিষ্টেমৰ কিতাপবোৰত
নাই একলো ছুটি,
উহু: অনবৰতে মূৰ কামোৰণী
কেৱল পঢ়া পঢ়া পঢ়া ।

বাসুদেৱ দৰ্জী
(তৃতীয় ষাণ্মাসিক)

# তিনিটা ছুৰক

(১)

অতীতৰ সপোনবোৰ কেতিয়াবা
দপদপাকৈ জ্বলে
তেতিয়া হৃদয়ত গুমুৰাই লৈ থাকোঁ ।

(২)

সাগৰৰ গভীৰতা অসীম,
হয়তো পাৰেও জুখিব নোৱাৰে
এই গভীৰতা বিচাৰে যি
সাঁতুৰিব নজনাকৈয়ে ।

(৩)

বৰষুণৰ টোপালবোৰৰ টোপ টোপ শব্দই
লিখে এখন সেউজীয়া
প্ৰেমৰ চিঠি ।
আৰু নিগৰি নিগৰি বৈ আছে
নৈখনৰ কাষলৈ
আকাশৰ বুকুত গাজি উঠা
বহাগৰ বতৰা লৈ'লে ।

পল্লৱী বৰুৱা
(পঞ্চম ষাণ্মাসিক)

# লোইপুলীয়া

জোনাকবোৰ বৰষুণ হোৱাৰ সময়ত
লহপাহকৈ কাঢ়ি আহিছিল সপোনবোৰ ।
অন্ধাৰ দিকচৌ বাটলে চাপালি মেলা
স্নিগ্ধ হেঁপাহবোৰে পাহি মেলিছিল
নৈৰাশ্যত ডুব যোৱা ভাগৰুৱা বেলিয়েও
উশাহ সলাইছিল তোৰ বুকুতেই ।
সৰাপাতৰ মুকুট পিন্ধিছিল
মোৰ প্ৰত্যাশাৰ চিৰসেউজীয়া অৰণ্যই
ফুলাম আবেলিজাকক বোকোচাত তুলি
অপ্ৰাপ্তিৰ - যন্ত্ৰনাৰে লোটি লোৱা
ভালপোৱাবোৰক পূৰ্ণতা দিছিল ।
নিঃচিহ্ন হৈ যোৱা সম্ভাৱনাক
আঙুলি ধৰি স্থিতপ্ৰজ্ঞ কৰ
প্ৰস্ফুটিত কৰ ৰজনীগন্ধাৰ পাহিক
জীপাল কৰি তোল মোহিকৰ আশাবোৰ
সন্ধান দিয়ে স্বপ্নাতুৰ আলোকৰ
তই মোৰ হেঁপাহৰ
লোইপুলীয়া ....... ।

-সীমাদীপা ভঁৰালী
প্ৰাক্তন ছাত্ৰী

# অনুভৱ

অস্তগামী সূৰুজৰ হেঙুল ৰহনত
হেৰাই যোৱা সপোনৰ ৰামধেনু ।
সমাজ কাননত নাই কোনো পাৰিধি
হিংসাৰ হলাহলত ডুব যোৱা এই দিবাৰজনী ।

শত সহস্ৰ জীৱনৰ অনেক কৰুণ গাথাঁ
দৈনিক আৱদ্ধ মাথোঁ শব্দৰ ব্যঞ্জনাত ,
আধুনিকতাৰ সোৱাদ পুষ্ট জীৱ শ্ৰেষ্ঠ মানৱ
আত্মকেন্দ্ৰিকতাৰ পাৰ্শ্বক্ৰিয়া মাথোঁ সমাজত ।

চিত্ৰমলা নৰহ
(৩য় ষাণ্মাসিক)

# শৰৎ

আকৌ শৰৎ আহিল ।
চোতালৰ শেৱালি জোপা
আকৌ ডাল ভৰি ফুলিল,
তল ভৰি সৰি পৰিল
শেৱালি ফুল ।

শেৱালিৰ আমোলমোল গোন্ধে
সুবাসিত কৰিলে চৌদিশ,
দুবৰিৰ দলিচাত জিলিকি উঠিল
মুকুতা মণিটি ।
যেন শাৰদী ৰাণীজনীৰ
ডিঙিৰ অলংকাৰখাৰী ।

পাহাৰী শইকীয়া
(পঞ্চম ষাণ্মাসিক)

# বান্ধোন

বিচাৰি ফুৰিছোঁ মই এটা শব্দ
কান্ধত জোলোঙা আঁৰি লৈ
নদীয়ে অৰণ্যই পৰ্বতে-কন্দৰে তাক বিচাৰি
চলাথ কৰিছোঁ ।

শব্দৰ হৃদয়তো থাকিব পাৰে
প্ৰীতি স্নেহৰ টোপোলা কিম্বা,
যন্ত্ৰনা আৰু বিষাদ ।
যীতেই তাক বিচাৰি পাম তাতে
কৰিলম মোৰ আপোন সঙ্গীৰূপে ।
মৰম আৰু বিশ্বাসেৰে বন্ধুত্ব গঢ়িম ।
তথাপিও যে চিনিব নোৱাৰি তাক,
সিয়ো যে মিলি যায় শূন্যত ।
জীৱনত পাহৰিব নোৱাৰি
মই তাক বিচাৰি ফুৰাটোও মোৰ এক যন্ত্ৰনা।

যদুমনি বৰুৱা
প্ৰথম ষাণ্মাষিক

# বেদনা

তোমাক অন্তৰ খুলি ভাল পোৱাতেই
মোৰ ভুল হ'ল ।
তুমি জোৱা তুলাচালনীত মই
সৰি পৰিলো তললৈ,
তোমাৰ দুচকুৰ পৰ্দাত মই আঁকিব
নোৱাৰিলো বিলাসী জীৱনৰ ছবি ।
সদায় চকুৰে দেখা দূৰত্বত থাকিও
তোমাক আপোন কৰি লব নোৱাৰাটো
মোৰ দুখ ।
তোমাক নোপোৱাৰ দুখত
মই উপলব্ধি কৰিছোঁ তৰা বিহীন আকাশত মই
যেন শূন্যতে ওলমি আছোঁ ।

ৰাজকুমাৰ ভূঞা
(৩য় ষাণ্মাসিক)

# নাহৰ

কিমান আলফুলীয়া নাহৰৰ কলিত আত্মহত্যা কৰে
প্ৰেম প্ৰত্যাশী প্ৰেয়সী ।
গোলাপৰ সৈতে জানো থাকে
জোনাকৰ জিলিঙনিৰ আভাস !

এপাহি দুপাহি নাহৰ
গুজি দিলেই জানো হয়
এটি নতুন যুগৰ সূচনা ?

আলফুলীয়া হে হে নিয়ৰৰ সমাধিত
নে কলেজৰ শেষৰ পদূলিত
কাৰ ঘৰৰ পদূলিত
কোন কাৰ আঙুলিৰ পৰশত মগ্ন হয় ?

হেমন্ত কোঁচ
প্ৰাক্তন ছাত্ৰ

# অনুভৱ

জীৱনৰ কেঁকুৰিটো
পাৰ হ'ব খুজোঁতে
হাঁহিবোৰ হেৰুৱালোঁ,
সপোনবোৰ হেৰুৱালোঁ,
আশাবোৰ হেৰুৱালোঁ।
সময়বোৰ হেৰাল
হেৰাই হেৰাই
সকলোবোৰ হেৰাই গ'ল
নাজানো খুম ক'ত ?

টিটুমণি গোঁহাই
প্ৰাক্তন ছাত্ৰী

# মই পোহৰ
# বিলাব খোজো

আহা আমি!
দুহাতত তুলি লওঁ
সুৰুয সোণোৱালী ৰং,
সন্মুখত জ্বলা সন্ত্রাসৰ জুইত
আঁখি আঁকি দিওঁ
শান্তিৰ কলাজ।
বিলাই দিওঁ একাঁজলি
জোনাক সুৰেৰে গীতেৰে।
হাতত হাত হৈ আহা
পোহৰৰ গীত গাওঁ,
আৱৰৰ চকুলো মচি
বিভীষিকাৰ আকাশখনিত
আহা উৰুৱাই দিওঁ
এযোৰি শান্তিৰ কপৌ।

পৰিস্মৃতা বৰুৱা
৩য় ষাণ্মাসিক

# শৈশৱ

আকৌ এবাৰ হেৰাব খোজো শৈশৱৰ কোলাহলত
আকৌ এবাৰ আওৰাব খোজো
'হলনে নৌ মালিকী নৌ' বাক্যশাৰী।
কটাব খোজো শৈশৱৰ এটা সুন্দৰ আবেলি।
এবাৰ পাতি চাব খোজো
বোকা বালিৰে এটা বালিৰ-ঘৰ
আঘোণী পথাৰৰ নৰা পেঁপা বজাই
মতলীয়া হব বিচাৰোঁ আকৌ এবাৰ।
আকৌ এবাৰ শুনিব খোজো
ৰাতিৰ জোনৰ পোহৰত আলোকিত হৈ
আইতাৰ সুন্দৰ জোনবাইৰ দেশৰ সাধু।
হেৰাব খোজো আকৌ এবাৰ
শৈশৱৰ কোলাহলত।

সন্ধ্যা সোণোৱাল
(১ম ষাণ্মাসিক)

# বহাগ

প্ৰকৃতিৰ বুকুত বহাগীজনীক দেখি
ভুলিছে মোঁ বৰষে গীতত,
ব্যাকুল হৈ পৰে নদী-নিজৰা ।
চঞ্চল ভাভেকুজনীয়ে বাট চাই ৰয়
বহাগৰ সেই দিনটোলৈ ।
হাতত ঢোল-পেঁপা গগনা লৈ অহা ডেকাটোলৈ
চাওঁতে থাকো সাৰি সাৰি পৰে ।
কাৰোবাৰ উজুটিত ঘঁৰৰ ভাঙে,
দুহাতত বিন্দে অঘয়া শুলে ।
বহাগ এনেকৈয়ে আহে ।

জোৎস্না গগৈ
(৩য় ষাণ্মাসিক)

# নষ্টালজিয়া

মোৰ শূন্যতাত
তোমাৰ স্মৃতিৰ কোলাহল ।
ডুব যাওঁ নিৰবে
সপোনৰ সৈতে
মনৰ চিলামন
উৰি যায় বহু দূৰলৈ
তোমাৰ আকাশৰ
ৰামধেনু চাবলৈ ।

ডিম্পল বৰশইকীয়া
প্ৰাক্তন ছাত্ৰ

# স্মৃতিৰ সৌধ

তোমাক ফুল খুজিব যাওঁতে
যদি উপহাৰ দিয়া কাঁইট,
তাতে সুখী হ'ম মই ।
শব্দ বিহীন ৰাতি
চকুপানি সলাই সলাই
সাজিব পাৰিম অন্ততঃ
স্মৃতিৰ সৌধ ।
ঘাত কলিজাৰ তেজেৰে লিখিম
তোমাৰ প্ৰেমত পাৰিছিলো এদিন ।

ত্ৰিবেণী সোনোৱাল
(পঞ্চম ষাণ্মাষিক)

# সপোন

কল্পনাৰ ৰাজ্যত এদিন
পাৰিছিলোঁ সোমাব,
সাজিছিলোঁ,
বহু সপোন .....
আছিল বহু আশা, কল্পনা......
যিবোৰ প্ৰেমৰ মাদকতাই ভৰকা ।
কিন্তু,
হঠাৎ আহি পৰিল
এজাক কাল ধুমুহা ।
লগত লৈ গ'ল
সেই সপোনবোৰ....
কল্পনাবোৰ ....
আশাবোৰ ......
কিন্তু, নিব নোৱাৰিলে ভগ্ন হৃদয়ৰ
স্মৃতিৰ টুকুৰা ।

প্ৰদ্যুম্ন গোস্বামী
(পঞ্চম ষাণ্মাষিক)

# মৰীচিকা

নদীয়ে যেতিয়া কথা কয়
তেতিয়া মই মৌন হৈ ৰওঁ ।
কিজানিবা পাওঁৰেই
নদীৰ সোঁতত তোমাৰ ঠিকনা ।
দুপাখি মেলি উৰি যাব খোজোঁ
তোমাৰ কাষলৈ,
কিন্তু মোৰ যে দুপাখি কটা ।
আপোনও যাব খোজোঁ
তোমাৰ কাষলৈ,
কিন্তু জোনাকী পৰুৱাৰ দৰে তুমি
ক'ৰবাত হেৰাই যোৱা ।

মৌচুমী চুতীয়া
প্ৰাক্তন ছাত্ৰী

# তুমি

তোমাৰ মাজতে লুকাই আছে
মোৰ জীৱনৰ প্ৰতিটো অপ্ৰকাশিত কবিতা
জীৱনৰ দুৰ্বাৰ হেঁপাহত, যৌৱনৰ আমনিত
যেতিয়া কবিতা লেখাৰ প্ৰয়াস কৰোঁ,
মই তোমাৰ কাষ চাপোঁ,
কবিতাৰ শব্দ বিচাৰি।

মোৰ সপোনৰ দুৱাৰ দলিত,
তুমি যেতিয়া খোজ পেলোৱা
কি যে এক অপৰূপ আকৰ্ষণ
তোমাৰ মাজতে বিভোৰ হোৱা
মই এক অতলীয়া কবি।
তুমি যেন শব্দ, অৰ্থ আৰু ব্যঞ্জনা।

বন্দনা দাস
প্ৰাক্তন ছাত্ৰী

## আকাশ

আকাশ এটি মিঠা নাম
য'ত জিলিকি থাকে,
অজস্ৰ জোন, বেলি, তৰা
যিয়ে আমাক পোহৰবিলাই
মন মনোৰম কৰি তোলে ।
য'ত আমি দেখিবলৈ পাওঁ
এখন ধুনীয়া পৃথিৱী ।

আন্ধাৰ আকাশত তৰাৰ জিলমিলনিত
জোনটি ওলাই আছে,
এটি সুন্দৰ পোহৰ বুকুত লৈ
যিয়ে আমাক টানি নিয়ে
এখন গভীৰ জগতলৈ
যাৰ নাম আকাশ ।

লাখিমী গগৈ
(৩য় ষাণ্মাষিক)

# বাস্তৱ

বাস্তৱৰ দুৱাৰত কম্পমান কৰি
প্ৰতিবাৰেই থমকি ৰওঁ সাৰধানে
জানো চা সমুদ্ৰৰ কোৰালে সোঁতৰ মাজত
বিলীন হৈ যাওঁ ।

প্ৰান চঞ্চল যৌৱনৰ দীপ্ত শিখা
জ্বলি উঠে দাৰ্ঈ-দাৰ্ঈকৈ ।
সাহস গোটাওঁ সেই অগ্নি শিখাৰ
সোণোৱালী স্বপ্নৰ মাজত খোজ দিব পৰাকৈ ।

নিষ্ঠুৰ বাস্তৱৰ কলিয়া মেঘ
ঢাকি ৰাখে অন্ধকাৰেৰে
মানৱ জীৱনৰ দুখ বেদনাবোৰ
উঁহি থাকে স্বপ্নতে ।

শংকৰ প্ৰসাদ বৰুৱা
(৩য় ষাণ্মাসিক)

নিমাৰিক্ত

জেমস্কুল অৰ্ট'ৰ তিনিটা টকা
তোমাক মায়ে দিছিল বাঘ টকা
অৰ্টৰ সৰু সৰু চিটত,
জেনিৰ্ট বেগ তোমাৰ হাতত
যেমত পাৰি দুয়োৰে দেখা হ'ল ফঁকা।

শুভ চুতীয়া
(৭ম ষান্মাষিক)

# আশা

মোৰ এই অভিমানী মনত
বহুতো আশা থুপ খাই আছে
কিন্তু মই পাৰিমনে ?
এই আশা বাস্তৱত পৰিণত কৰিবলৈ
মই কেতিয়াবা, ভয়ত আতংকিত হৈ পাৰো,
মোৰ এই আশাবাদী মন
কেতিয়াবা যদি নিৰাশা হৈ যায় ।
তেতিয়া মই বিফল হৈ পাৰিম
মই মোৰ মনক বিদ্ৰোহী কৰি তুলিম
মই উত্তেজিত হৈ কম
মোক নিৰাশা নকৰিবা
মোক আশাবাদী কৰি তোলা
মাথো আশাবাদী ।

লিপিকা বৰুৱা
(৩য় ষাণ্মাসিক)

# সংগ্ৰাম

হে মোৰ বন্ধুবৰ্গ !
উঠা আহা তোমালোক,
আমি একগোট হৈ হিংসাৰ বিৰুদ্ধে ৰক্তৰ
টো তোলাই অসমী আইৰ দুনয়নক দান
কৰোঁ এক নতুন আভা ।
হে বন্ধুবৰ্গ, নিদ্ৰা ত্যাগ কৰা
আমাৰ আকাশ আন্ধাৰে ধৰিছে
হিংসা বিদ্বেষ আৰু শহীদৰ তেজেৰে;
আমাৰ দেহত শহীদৰ ৰক্তৰ সোঁত বোৱাই
আমি ৰচিব লাগিব দেশৰ নতুন নাম
আমি গাব লাগিব শহীদৰ জয় গান ।
হে নৱজোৱান উঠা আহা
আমি দেশৰ দেৱালত সোণালী আখৰে
লিখিব লাগিব শত শহীদৰ নাম
আমি গঢ়িব লাগিব অসমী আইক
এক শান্তিৰ আশ্ৰম ।
একগোট হৈ দিব লাগিব এক শৃংখল সেতুৰ দল
হে নৱজোৱান,
উঠা আহা নিদ্ৰা ত্যাগ কৰা ....।

ময়ূৰপংখী বুঢ়াগোঁহাই
(পঞ্চম ষাণ্মাসিক)

# পৰীক্ষা

কিয় শিহৰি উঠিচা তুমি
কিয় আইচা ভয় ?
ইটো তোমাৰ কোনো শাৰীৰিক
শাস্তি কিম্বা মৃত্যুদণ্ড নহয় ।
তেন্তে কিয় ? কিয় সৃষ্টি হৈছে তোমাৰ
ভয় উদ্বেগ তথা মানসিক চাপৰ শিহৰণ,
ইটো এক বৰ্দ্ধিত জ্ঞানৰ মূল্যাংকনৰ মাপকাঠিহে
তেন্তে বৃদ্ধি নকৰা কিয় তুমি
একাগ্ৰতা আৰু মনোবল,
যি এক নিজস্ব প্ৰতিভা আৰু মনোবলৰ যোগ্যতা
প্ৰতিপন্নতাৰ উৎকৃষ্ট মাধ্যম ।
নালাগে তোমাক কোনো মাৰণাস্ত্ৰ
বাহুবলো নালাগে তোমাক
মাথো লোৱা আকোঁৱালি তুমি
একাগ্ৰতা ... কৰ্মপটু আৰু ইচ্ছা শক্তি
যত বিচাৰি পাবা তুমি
ভৱিষ্যৎ আলোকিত কৰা মন্ত্ৰ ।

হৰি প্ৰসাদ নেপাল
(৩য় ষাণ্মাসিক)

# প্ৰেমৰ কবিতা

মই চালে
আঁহি পাৰে তোমাৰ লাজুকী
হাঁহিৰ ঢৈবনী ।

মই চালে
পাৰ হৈ যায়
তোমাৰ দেহত দুখাঁমিছেৰো
চাৱনিৰ
অশান্ত ধুমুহা ।

মই চালে
পুৱাৰ নিয়ৰেও
সুহৰিয়াই যায়
প্ৰেমৰ গান ।

মই চালে
সেঘে বাঢ়ি যায়
তোমাৰ ভাগৰুৱা
দুটি চকুৰ সপোন ।

পুষ্পধৰ টাইদ

# তোমাৰ স্মৃতি

তোমাৰ মোৰ প্ৰথম সাক্ষাতৰ মুহূৰ্ত
মোৰ অবুজ হৃদয়ৰ মাজত আজিও গোপনে
লুকুৱাই থৈছো তোমাৰ মিছা মৰমবোৰ
তুমি আহিবা বুলিয়েই ।
মোৰ বাগিছাৰ গোলাপ এপাহো চিঞ্চো নাই,
মৰহি গৈছে অথচ মই তাতেই সযতনে ৰাখিছোঁ
আৰু ৰাখিছো মোৰ মনৰ সমস্ত ভাল পোৱা
যৌৱনে উপচি পৰা শ্যামল দলিচাখনিও ৰৈ আছো
তুমি আহিবা বুলিয়েই ...
কিন্তু,
মোৰ বাবে এই সকলোবোৰ স্মৃতি মাজত
তুমি এটি কবিতাহে হ'লা
মাথো এটি কবিতা
ৰাতিৰ আকাশত হাঁহি তিৰবিৰাই থকা
তৰাবোৰৰ নিচিনা তোমাৰ হাঁহিটি
আজিও মোৰ চকুত আকাশৰ জোনটিৰ
দৰে জিলিকি আছে ।

পল্লৱী বৰগোঁহাই
(উঃ মাঃ প্ৰথম বৰ্ষ)

# অষ্টাবিকা

হৃদয়ত জ্বলি উঠিল এটা অষ্টাবিকা
যন্ত্ৰণাৰ মূল মাথোঁ হৈ থাক মোৰ অনুকা।
যেতিয়া পূৰ্বত উদয় হয় অংশুমালী
আৰু পাওঁ মই তোমাক সপোনত দেখি।
মোৰ চাৰিওফালে দেখা পাওঁ কেৱল অভীষ্টা
দিনে দিনে বাঢ়িব ধৰিছে সেই অষ্টাবিকা।
কেতিয়াবা ৰক্তৰ লগত বিলীন হৈ যায়
কিন্তু মোৰ হৃদয়ত মোৰ ৰক্তৰ উটিনো বয়
তাক আত্মদান কৰি সেই অষ্টাবিকা হৃদয় জ্বলিবৰ
অনুভৱৰ মাজত অষ্টাবিকাই হৈছে মোৰ
প্ৰেয়সী
তাক জীয়াই ৰাখিবলৈ চেষ্টা কৰিম মই জীৱন জুৰি
বাট চৰাৰ মুখত আকাংক্ষাৰে বৈ থাকো
তোমালৈ বুলি
অভ্যাগত হৈ আহা যেন
উজৰাই পদূলিৰ দুৱলি।

ৰুবী শইকীয়া
(পঞ্চম ষাণ্মাসিক)

# শুকুলা মেঘৰ ছাঁ

জীৱনৰ অন্তিম প্ৰান্ততো
বিচাৰিম কাষত তোমাক
আহিবানে তুমি এবাৰ
মোৰ স্বপ্ন সূৰুজক ঢাকি
এজাক শুকুলা মেঘৰ ছাঁ হৈ ।
স্মৃতিত ভাঁহি ফুৰা
তোমাৰেই মনোমোহা হাঁহি ।
সদস্তৰ কোনোবা এচুকত
দুখৰ জোৱাৰ তুলি
তুমি আঁতৰি গলা,
একেখন পথৰে পথিক হোৱাৰ
প্ৰতিশ্ৰুতিবোৰ হয়তো এতিয়া
পথৰ ডাষ্টবিনৰ আলহি ।
নিৰাশাময় বেদনাৰ সাক্ষী হৈ
অকলে স্মৰণ কৰোঁ
আহানিৰ সেই স্মৃতিবোৰ ।
তুমিতো আঁতৰি গলা
মই মাথো খেদি ফুৰিছোঁ
নিসংগতাৰ ছাঁ বিচাৰ
মৰিচিকা মাথো মৰিচিকা

তোমাৰ স্নেহ স্পৰ্শত
সৰাহি যাব মোজা ফুলপাহো

কবিতা :

হয়তো জীপাল হৈ উঠিছিল,
আজি বিপন্ন আত্মা, চিঞৰাল কটাঘা
সপোন আৰু
তোমাৰ জন্মান্তৰ হৰিণী নয়নৰ আকাংক্ষিত
বিপন্নতাৰ মাজতো
নিৰাশাগ্ৰস্তী স্বপ্নত সূৰ্য্যোদয়ৰ
ৰেঙনি। মোৰ মনৰ মাজত অতীতৰ মাধুৰী আনি তুমি
এজাক শুকুলা মেঘৰ ছাঁত বহি আছা
বিৰহী জোনটো হৈ।

প্ৰমোদ পেগু
(পঞ্চম ষাণ্মাসিক)

# শ্বহীদ

পাৰেনে মনত তোমাৰ সেই দিনটোলৈ
যিটো দিনত স্বদেশৰ কাৰণে প্ৰাণ আহুতি
দিয়া সৰু ডাঙৰ সেই সমস্ত স্বদেশপ্ৰেমীলৈ।

পাৰেনে মনত তোমাৰ যি সকলে দেশৰ হকে
আত্মদান কৰি এদিন সকলোকে এৰি
শ্বহীদ হোৱাৰ কথা ?
তোমাৰ হয়তো নিশ্চয় মনত আছে
সেই কান্দোনৰ ৰোল উঠিছিল যিটো দিনটোলৈ।
পাৰেনে মনত তোমাৰ তেওঁলোকৰ কত সপোন
কত আশা ভাঙি চুৰমাৰ কৰা সেই
সন্ত্ৰাসবাদীবোৰলৈ ?
সেই দিনটোলৈ মনত পাৰিলে
চিঞৰি চিঞৰি কান্দিবলৈ মন যায়
কিন্তু কি কৰিম ।
সেই হত্যাকাৰী সন্ত্ৰাসবাদীবোৰকলৈ ।

হৰিপ্ৰভা সোনোৱাল
(৩য় ষান্মাসিক)

# প্ৰেম

তোমাৰ ব্যক্তি মৌন আকাশই
কুঁহিপাত মেলে,
নীলাভ চুচুকুত ৰাম ধেনুৰ ৰং ।
মই আঁকিব খোজো এমন ৰঙীন ছবি
আকাশ তুমি বিলাই দিয়া এমুঠি পোহৰ
নতুন সৃষ্টিৰ কামনাৰে মই লিখিম
তোমাৰেই কবিতা ।

ৰাতুল পায়েং
প্ৰাক্তন ছাত্ৰ

# সমাধি

মৰুৰ বুকুত নিসংগমনে
বিচাৰি ফুৰিছোঁ আজি
শুভ্ৰ জোনাক শীতল বুকুত
বেদনাৰ মাথো শেষ চুপানি ।
জোন নগলা আঁধৈসী ৰাতি
তৰাবোৰক সাক্ষী কৰি
লিখিছিলো তেওঁৰ প্ৰতিটো
স্বপ্নৰ শেষ সমাধি ।

পল্লৱী দেৱী
(পঞ্চম ষাণ্মাষিক)